# ভাৰত-চীন সীমা সম্পৰ্কীয় পৰামৰ্শমূলক আৰু সহযোগিতা বিষয়ৰ বাবে ষষ্ঠ লানি কাৰ্য্যকৰি প্ৰক্ৰিয়া বৈঠক ।

এপ্ৰিল ৩০,২০১৪

ভাৰত-চীন সীমা সম্পৰ্কীয় পৰামৰ্শমূলক আৰু সহযোগিতা বিষয়ৰ ষষ্ঠ লানি কাৰ্য্যকৰি প্ৰক্ৰিয়া বৈঠক ২৮ এপ্ৰিল ২০১৪ ৰ পৰা ৩০ এপ্ৰিল ২০১৪ লৈ বেইজিঙত অনুষ্ঠিত হয় ।ভাৰতীয় প্ৰতিনিধিৰ দলটোক যুটিয়া সচিব (পূৱ এছিয়া)শ্ৰী গৌতম বাম্বেৱালে নেতৃত্ব দিয়ে । বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ,সুৰক্ষা আৰু গৃহ মন্ত্ৰনালয়ৰ প্ৰতিনিধি সকলৰ লগতে ভাৰতীয় সেনা আৰু ভাৰত-তিৰ্ব্বতৰ সীমা পুলিছ (ইন্দু-তিব্বতীয়ান ব'ৰডাৰ পুলিছ)ৰ সদস্য সকল ভাৰতীয় প্ৰতিনিধি দলটোত অৰ্ন্তভূক্ত কৰা হয় ।চীনৰ প্ৰতিনিধি দলটোক প্ৰতিনিধিত্ব কৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ সীমা আৰু সামুদ্ৰিক পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান শ্ৰী ওউয়াঙ য়ুজিঙে (Mr. Ouyang Yujing)।প্ৰতিনিধি দলটোত বৈদেশিক মন্ত্ৰনালয়ৰ আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ সদস্য সকলক অৰ্ন্তভূক্ত কৰা হৈছে ।ভাৰতীয় প্ৰতিনিধি দলটোৱে বৈদেশিক পৰিক্ৰমাৰ উপ মন্ত্ৰী গৰাকীক সাক্ষাৎ কৰে ।

ভাৰত-চীন সীমান্তত অধিক উষ্চতাত ঋতু সলনি হোৱাৰ সময়তে অনুষ্ঠিত বৈঠক খন সৌজন্যমুলক,গাঠনিক আৰু আগলৈ চোৱা নীতিৰে আগবাঢ়ে । দুয়ো পক্ষই ঐক্যমত প্ৰকাশ কৰে যে দ্বিপাক্ষীক সম্পৰ্কক আগলৈ আগবঢ়াই নিবলৈ হলে সীমান্তত শান্তি আৰু নিৰবতা বাহাল ৰখাটো অতি গুৰুত্বপূৰ্ণ বিষয় ।বৈঠক কালত সীমাত, বিশেষকৈ পশ্চিম সীমাত শেহতীয়া ভাৱে উদ্ভৱ হোৱা পৰিস্থিতি সম্বন্ধে আলোচনা কৰা হয় । তাৰোপৰি বৈঠকত সীমা সুৰক্ষা সহযোগিতা চুক্তিৰ কাৰ্য্যত ৰূপায়নৰ বিষয়টো আৰু অতিৰিক্ত বিশ্বাস গঢ়াৰ ব্যৱস্থা সমূহৰ বিষয়েও বৈঠকত আলোচনা হয় ।বৈঠক কালত কৈলাশ-মানসৰোবৰ যাত্ৰাৰ বাবে এটা নতুন পথৰ উদ্ভাৱন কৰা হৈছে ।

এই ভাৰত-চীনৰ সীমা সম্বন্ধীয় বিষয়ত পৰামৰ্শমূলক আৰু সহযোগিতাৰ বাবে কাৰ্য্যকৰী প্ৰক্ৰিয়াৰ স্থাপন হোৱাৰে পৰা দুবছৰত ষষ্ঠ লানি বৈঠক অনুষ্ঠিত হয়

।সীমা সম্পৰ্কীয় বিষয়সমূহৰ চোৱাচিতা কৰাৰ বাবে এই প্ৰক্ৰিয়া এক বুনিয়াদী প্ৰক্ৰিয়া ।

সপ্তম লানি কাৰ্য্যকৰী প্ৰক্ৰিয়াৰ বৈঠক দুয়ো পক্ষৰ বাবে সুবিধা হোৱা দিন এটাত অনুষ্ঠিত হব ।

নতুন দিল্লী

এপ্ৰিল ৩০,২০১৪